*Total number of printed pages-2*

**FYUG/Sem-2/AM-MN1**

# 2026
# (Regular)
# Assamese (Minor)
# Paper Code : AM-MN-2114

**Paper Name : অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদই যুগৰ পৰা ২০০০ চনলৈ)**

***Time : 2½ hours*** ***Full Marks : 60***

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৭=৭

ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' - গ্ৰন্থখনৰ ৰচক কোন ?

খ) অৰুণোদই যুগৰ এগৰাকী অখ্ৰীষ্টিয়ান লেখকৰ নাম লিখা ।

গ) জোনাকী কাকতৰ প্ৰথম প্ৰতিষ্ঠাপক সম্পাদক গৰাকীৰ নাম কি ?

ঘ) প্ৰথম অসমীয়া উপন্যাস খনৰ নাম উল্লেখ কৰা ।

ঙ) আয়ুৰ্বেদৰ কি চিকিৎসাৰ দ্বাৰা বাৰ্ধক্য নিবাৰণ কৰিব পাৰি বুলি 'ৰসায়ন' গল্পত উল্লেখ কৰিছে ?

চ) ভানুমতী উপন্যাসখন কোনখন আলোচনীত প্ৰথমে খণ্ড খণ্ডকৈ প্ৰকাশ পাইছিল ?

ছ) লক্ষ্মীনাথ বেজবৰুৱা ব্যংগমূলক ৰচনা এটিৰ নাম লিখা ।

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া ঃ ২×৪=৮

ক) 'অৰুণোদই' আলোচনীখন ক'ৰ পৰা আৰু কেতিয়া প্ৰথম প্ৰকাশ লাভ কৰিছিল ?

খ) আধুনিক অসমীয়া ভাষাই জোনাকী স্তৰত কি কি দুটা প্ৰবাহৰ মাজেদি বিকাশ লাভ কৰে ?

গ) কমলা কান্ত ভট্টাচাৰ্য্যৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা ।

ঘ) চৈয়দ আব্দুল মালিকৰ দুখন গল্প পুথিৰ নাম উল্লেখ কৰা ।

৩। চমুটোকা লিখা *(যিকোনো তিনিটা)* ঃ ৫×৩=১৫

ক) অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীৰ অৱদান ।

খ) 'আভাস' পাঠটিৰ মূল বক্তব্য বিষয় ।

*Contd..*

গ) 'খিৰিকি কাষত গছ' গল্পটিত প্ৰতিফলিত হোৱা নাৰীমনঃ স্তত্ত্ব ।

ঘ) পাহৰণি কবিতাৰ মূলভাব ।

ঙ) চৈয়দ আব্দুল মালিকৰ চুটিগল্পৰ বৈশিষ্ট্য ।

চ) জোনাকী যুগৰ যিকোনো এগৰাকী সাহিত্যিকৰ সাহিত্য কৰ্মৰ বিশ্লেষণ ।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা *(যিকোনো তিনিটা)*ঃ ১০×৩=৩০

ক) অৰুণোদই যুগৰ পৰা ২০০০ চনলৈ অসমীয়া ভাষাৰ ক্ৰমবিকাশ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা ।

খ) 'ইংলেণ্ডৰ বিৱৰণ' - পাঠটিত আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়াৰ দুৰাৱস্থাৰ মূল কাৰণসমূহ কেনেদৰে বৰ্ণনা কৰিছে লিখা ।

গ) অসমীয়া কল্পবিজ্ঞান সাহিত্যৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ গল্প হিচাপে 'ৰসায়ন' গল্পটিৰ এটি চমু আলোচনা আগবঢ়োৱা ।

ঘ) 'ভনুমতী' উপন্যায়ৰ মূখ্য চৰিত্ৰ ভানুমতী আৰু চাৰু গোহাঞিৰ চৰিত্ৰৰ এটি বিশ্লেষণাত্মক আলোচনা প্ৰস্তুত কৰা ।

ঙ) 'বৰবৰুৱাৰ বিয়া' - প্ৰবন্ধটোত লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সমাজৰ বিয়াত প্ৰচলিত কুসংস্কাৰৰ বিষয়ে লিখা কথাখিনি চমুকৈ আলোচনা কৰা ।

চ) 'বান্ধৱ' গল্পটিত বাৰ্ধক্য জীৱনৰ নিসংগতা আৰু অৱহেলাৰ ভাব কেনেদৰে ফুটি উঠিছে লিখা ।